# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২০ আগষ্ট তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা সৰু,ডাঙৰ যুদ্ধ বিলাকৰ বিষয়ে বৰ্ণনা চলি আছিল। মাজতে বিৰতিৰ পিছত আজি আকৌ সেই ঘটনা বিলাক বৰ্ণনা কৰা হ'ব। সংগঠিত হোৱা যুদ্ধবোৰৰ মাজত এটা যুদ্ধৰ নাম আছিল জন্দি ছাবুৰৰ যুদ্ধ। খোৰাজিস্থানৰ এখন চহৰৰ নাম আছিল এই ছাবুৰ। যেতিয়া হজৰত আবু ছবৰা বিন ৰহম ছাছানি অঞ্চল বিজয় কৰি লৈছিল তেতিয়া তেখেতে সৈন্য সামন্ত লৈ আগবাঢ়ি গৈছিল। পূৱা,গধূলি শত্ৰু সকলৰ লগত সংঘৰ্ষত লিপ্ত থাকিবলগীয়া হৈছিল, কিন্তু শত্ৰু সৈন্যই কোনো মতেই নিজৰ ঠাই এৰি দিয়া নাছিল। এদিন কোনোবা এজন সাধাৰণ মুছলমানৰ ফালৰ পৰা নিৰাপত্তা প্ৰদানৰ কথা ঘোষণা কৰাৰ লগে লগে শত্ৰু পক্ষই অতিশীঘ্ৰে সেয়া গ্ৰহণ কৰি লৈ চহৰ খনৰ প্ৰধান দুৱাৰ মূখ মুকলি কৰি দিছিল। কথাখিনি সকলোৰে অৱগত নাছিল; যেতিয়া মুছলমানসকলে শত্ৰু পক্ষক সুধিছিল যে তোমালোকৰ কি হ'ল,তোমালোকে কিয় দুৱাৰ খুলি দিছা ? তেতিয়া তেওঁলোকে কৈছিল যে আপোনালোকে আমাৰ নিৰাপত্তাৰ কথা ঘোষণা কৰিছে আৰু আমি তাত সন্মত হৈ এই দুৱাৰ খুলি দিছো। তেতিয়া মুছলমান সকলে কৈছিল যে আমি তো তেনেকুৱা কোনো কথা কোৱা নাই। কিন্তু পিছত অনুসন্ধান কৰি মুছলমান সকলে জানিব পাৰিছিল যে এজন গোলামৰ ফালৰ পৰা তেনেদৰে কোৱা হৈছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাৰ বিষয়ে উল্লেখ কৰি কৈছে যে যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে এই বৃত্তান্ত জানিব পাৰিছিল তেতিয়া তেখেত (ৰাঃ)য়ে কৈছিল-এয়া কেতিয়াও হ'ব নোৱাৰে যে এজন মুছলমানে কথা দিছে,মই তাৰ কথা ভাঙি তাক অসন্মান কৰো। গতিকে সেই হাবশীয়ে যি চুক্তি কৰিছে সেয়া তোমালোকে মানিব লাগিব। হয় ! ভৱিষ্যতলৈ ঘোষণা কৰি দিয়া যে সেনা নায়কৰ বাহিৰে অইন কোনোবায় কোনো সম্প্ৰদায়ৰ সৈতে চুক্তি কৰিব নোৱাৰে।

ইৰাণ বিজয় কৰাৰ কাৰণ সম্পৰ্কে উল্লেখ কৰা বৰ্ণনাত লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ মনৰ ইচ্ছা আছিল যে ইৰাক আৰু আহুৱাজৰ যুদ্ধৰ পৰাই যেন ৰক্তাক্ত যুদ্ধৰ অৱসান ঘটে। কিন্তু ইৰাণী সাম্ৰাজ্যৰ ধাৰাবাহিক যুদ্ধ কাৰ্য্যক্ৰমানিকা আৰু প্ৰস্তুতিয়ে হজৰত উমৰ (ৰাঃ)ৰ মনৰ ইচ্ছা পূৰ্ণ হ'বলৈ দিয়া নাছিল। চন ১৭ হিজৰীত মুহাজে যুদ্ধ ক্ষেত্ৰৰ পৰা কেইজনমান সেনানায়কৰ দল এটা হজৰত উমৰ (ৰাঃ)ৰ ওচৰত আহি উপস্থিত হৈছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে তেওঁলোকক বিজয়কৃত অঞ্চল বিলাকত বাৰে বাৰে বিদ্ৰোহে মূৰ দাঙি উঠাৰ কাৰণ সুধে আৰু সন্দেহ প্ৰকাশ কৰে যে মুছলমান,বিজিত অঞ্চলৰ বাসিন্দা সকলৰ বাবে নিশ্চয় কোনো অসুবিধা সৃষ্টিৰ কাৰক হ'ব । তেতিয়া সকলো কেইজন চৰ্দাৰেই কথাখিনি সন্দেহৰ আৱৰ্ত্তত নহয় বুলি খণ্ডন কৰে আহনিফ বিন কায়েছে কয় যে ইয়া আমিৰুল মোমিনিন ! আপুনি আমাক আৰু আগবাঢ়িবলৈ নিষেধ কৰিছে কিন্তু ইৰাণৰ সম্ৰাট যেতিয়ালৈকে জীয়াই আছে; তেওঁ আমাৰ লগত যুদ্ধ জাৰি ৰাখিব। আপোনাৰ আদেশ অনুযায়ী আমি কোনো অঞ্চলেই নিজে আগবাঢ়ি গৈ কাঢ়ি লোৱা নাই বৰং শত্ৰুৱে আমাৰ ওপৰত আক্ৰমণ চলোৱাৰ বাবেহে জয় কৰি লোৱা হৈছে। শত্ৰু সকলৰ এনে দুৰ্ব্যৱহাৰ তেতিয়ালৈকে চলি থাকিব যেতিয়ালৈকে আমাক এই বিষয়ে অনুমতি নিদিব যে আমি যুদ্ধ কৰি ফাৰচ অধিপতিক ক্ষমতাচ্যুত কৰি উলিয়াই দিওঁ। হজৰত উমৰ (ৰাঃ)য়ে এই ৰায় যুক্তিযুক্ত বুলি স্বীকাৰ কৰিছিল কিন্তু তথাপিও ২১ হিজৰিত নেহাবন্ধৰ যুদ্ধৰ পিছতহে এই ৰায় কাৰ্যকৰী কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে ইয়াতে আঙুলিয়াই দিয়ে যে ইয়াতে সেই সকল মুছলমান যিসকলে বিনা কাৰণতে যুদ্ধ কৰাৰ অনুমতি দিয়ে আৰু সেই সকল লোক যিসকলে এই সম্পৰ্কে ইছলামৰ ওপৰত অভিযোগ উত্থাপন কৰে; এই দুয়োৰে বাবে উত্তৰ আহি গৈছে যে মুছলমান সকলে কেতিয়াও ঠাই দখল কৰি ল'বলৈ বা দেশ জয় কৰিবলৈ যুদ্ধ কৰা নাই।

ইৰাণ বিজয়ৰ ক্ষেত্ৰত কাদছিয়া,জলুৱা আৰু নেহাবন্ধৰ এই তিনিওটা যুদ্ধৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। নেহাবন্ধৰ যুদ্ধ ইৰাণী সকলৰ ফালৰ শেষ প্ৰচেষ্টা আছিল। নেহাবন্ধ ঠাইখন হমদানৰ পৰা প্ৰায় ৭০ কিঃমিঃ দক্ষিণত অৱস্থিত। ইৰাণৰ বাদশাহ ইয়াজিদ জৰ্দে বৰ ব্যস্ততাৰে সৈতে মুছলমানসকলৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ চিঠি পত্ৰৰ জৰিয়তে খোৰাচানৰ পৰা ছিন্ধলৈকে এক সবল প্ৰস্তুতি আৰম্ভ কৰিছিল। চাৰিওফালৰ পৰা ইৰাণী ফৌজ (সাজু হৈ) সষ্টম হৈ আহি নেহাবন্ধত জমা হ'বলৈ লৈছিল। হজৰত ছাআদ (ৰাঃ)য়ে এই সৈন্য বাহিনীৰ খবৰ হজৰত উমৰ (ৰাঃ)ক জনাইছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ক পদৰ পৰা উপসাৰিত কৰি এই গুৰু দায়িত্ব হজৰত আম্মাৰ বিন ইয়াছিৰ (ৰাঃ)ৰ ওপৰত ন্যাস্ত কৰিছিল। ইফালে মদিনাত  হজৰত উমৰ (ৰাঃ)য়ে পৰামৰ্শ বিচাৰি ডাঙৰ ডাঙৰ চাহাবা সকলক মতাই আনি এক পৰামৰ্শ সভাৰ আয়োজন কৰিছিল। সেই সভাত হজৰত উচমান (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক হিজাজৰ ফৌজৰ সৈতে নিজে যোৱাৰ আৰু স্বাম ইয়ামিন আৰু কোফাৰ সৈন্য বাহিনী নেহাবন্ধলৈ যোৱাৰ পৰামৰ্শ আগবঢ়ায়। কিন্তু উপস্থিত চাহাবা সকলৰ কিছুমানে এই পৰামৰ্শত সন্মতি প্ৰদান কৰিছিল যদিও হজৰত আলি (ৰাঃ)য়ে কৈছিল যে যদি আপুনি (আমিৰুল মোমিনিন) নিজে যাত্ৰা কৰে তেন্তে মুছলমান সকলে আপোনাৰ লগত যাবলৈ উঠি পৰি লাগিব আৰু এনেদৰে ইয়াতে এটা বিপদজ্জনক পৰিস্থিতিৰ সৃষ্টি হৈ যাব। গতিকে আপুনি মুছলিম ৰাজ্য বিলাকলৈ এই বাৰ্ত্তা প্ৰেৰণ কৰক যে তেওঁলোকে যেন তেওঁলোকৰ ফৌজৰ এটা এটা অংশ ইৰাণলৈ প্ৰেৰণ কৰে আৰু বাকী অংশ নিজ নিজ অঞ্চলৰ নিৰাপত্তাৰ বাবে তাতে সষ্টম ৰাখে।  হজৰত উমৰ (ৰাঃ)য়ে এই পৰামৰ্শ গ্ৰহণ কৰি লৈ হজৰত নুমান বিন মকৰুণ (ৰাঃ)ক সৈন্য বাহিনীৰ কমাণ্ডাৰ হিচাপে নিযুক্ত কৰে।  তাৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে হজৰত নুমান (ৰাঃ)ৰ

নামত কোফালৈ চিঠি লিখে যে **বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম** নুমান বিন মকৰুণৰ নামত ছালামু আলায়কা ইয়াৰ পিছত লিখে যে মই খোদা তা'লাৰ প্ৰশংসা কৰো, যাৰ বাহিৰে অইন কোনো উপাস্য নাই। আম্মা বাদ মই খবৰ পাইছো যে ইৰাণী সকলৰ এক বলিষ্ঠ সৈন্যদল নেহাবন্ধ চহৰত তোমালোকৰ সৈতে ৰণ কৰিবলৈ আহি গোট খাইছে। মোৰ এই চিঠি তুমি পোৱাৰ লগে লগে খোদা তা'লাৰ আদেশ আৰু তাৰ সহায়-সহযোগীতা কামনা কৰি নিজৰ লগৰীয়া মুছলমান ভাই সকলক লগত লৈ নেহাবন্ধলৈ যাত্ৰা কৰিবা। কিন্তু তেওঁলোকক এনেকুৱা সৰু অঞ্চলেদি লৈ নাযাবা, য'ত চলা ফুৰা কৰা অসুবিধা হয়। তেওঁলোকৰ অধিকাৰ প্ৰদানত গাফিলতি নকৰিবা যে যাৰ ফলত তেওঁলোকে অসন্তুষ্টি প্ৰকাশ কৰে আৰু তেওঁলোকক বোকা-পানীৰে ভৰা অঞ্চলেদি লৈ নাযাবা কাৰণ এজন মুছলমান ভাই মোৰ ওচৰত লাখও দিনাৰতকৈ বেছি প্ৰিয়। ওৱাচ্ছালামু আলায়কা।

এই আদেশ পোৱা মাত্ৰেই হজৰত নুমান (ৰাঃ)য়ে শত্ৰুৰ সৈতে মুখা-মুখী হ'বলৈ যাত্ৰা কৰে আৰু তেখেত (ৰাঃ)ৰ লগত কিছুমান বীৰ মুছলমান ভাইও এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে নিৰ্দেশ দিছিল যে যদি যুদ্ধত নুমান (ৰাঃ)য়ে শ্বাহাদত বৰণ কৰে তেন্তে হুযায়ফা বিন ইয়ামান আৰু তাৰ পাছত জৰিৰ বিন আব্দুল্লাহ বাজলি, তাৰ পাছত মগিৰা বিন শুয়ায়বা তাৰ পাছত আশআশ বিন কায়েছ দলৰ আমি হ'ব। হজৰত নুমান (ৰাঃ)য়ে গুপ্তচৰৰ জৰিয়তে খবৰ লৈছিল যে নেহাবন্ধ লৈকে যোৱাৰ বাট পৰিস্কাৰ আছে। ইতিহাসবিদ সকলে ইৰাণী সৈন্য ৬০ হাজাৰ আকৌ ১ লাখ বুলি লিখিছে। কিন্তু ইয়াৰ বিপৰীতে বুখাৰী চৰিফত ইৰাণী সৈন্য সংখ্যা চল্লিছ হাজাৰ আছিল বুলি উল্লেখ আছে। শত্ৰু পক্ষৰ আহ্বান অনুযায়ী আলোচনাত বহিবলৈ মুছলমান সকলৰ ফালৰ পৰা হজৰত শুয়ায়বাৰ পুত্ৰ হজৰত মগিৰা তালৈ গৈছিল। ইৰাণী সকলে বৰ ধুমধামেৰে সৈতে সেই বৈঠক অনুষ্ঠিত কৰিছিল আৰু ইৰাণী সেনা নায়কে পুৰণি ৰীতি অনুযায়ী আৰবীয়ান সকলৰ জীৱন প্ৰণালী সম্পৰ্কে এক অৱজ্ঞা সূচক ভাষণ দাঙি ধৰে। তেতিয়া হজৰত মগিৰা (ৰাঃ)য়ে উত্তৰত কৈছিল-সেই সময় আজি আৰু নাই,সেয়া গুচি গৈছে, ৰছুলুল্লাহ (ছাঃ)ৰ আগমনে আৰৱৰ ছবি সলাই পেলাইছিল। যিয়েই নহওক এই সংবাদ মেল সফল হোৱা নাছিল। যুদ্ধৰ আৰম্ভণীতেই হানাহানি,কটাকটি আৰম্ভ হয় আৰু তেতিয়া মুছলমান সকলৰ বাবে যুদ্ধৰ পৰিস্থিতি বৰ ভয়ানক হৈ পৰিছিল। শত্ৰু সকলে খাল,দুৰ্গ আৰু ঘৰ আদিৰ মাজত সুৰক্ষিত আছিল। মুছলমান সকলে আছিল মুকলি পথাৰত। শত্ৰু সকলে যেতিয়া সময় আৰু সুযোগ পাইছিল বাহিৰলৈ ওলাই আহি হঠাতে আক্ৰমণ চলাই দিছিল। এনেকুৱা বিপদজনক অৱস্থাত ইছলামী সৈন্য বাহিনীৰ আমিৰ নুমান বিন মকৰুণে এখন পৰামৰ্শ সভাৰ আয়োজন কৰে। বিভিন্ন পৰ্যায়ৰ আলোচনা-বিলোচনা হোৱাৰ পিছত তালিহায় এটা পৰামৰ্শ আগবঢ়ায় যে শত্ৰু সকলৰ ফালে এটা সৰু সৈন্যদল অৰ্থাৎ সাত /আঠ শ মান সৈন্যৰ এটা দল পঠাই দিয়া যাওঁক। যিসকলে তীৰ বৰ্ষণৰ জৰিয়তে যুদ্ধলৈ শত্ৰু সকলক উচটনি দিব। শত্ৰু সকলে যেতিয়া এওঁলোকৰ সৈতে ৰণ কৰিবলৈ দুৰ্গৰ বাহিৰলৈ ওলাই আহিব তেতিয়া এই সৰু দলটোৱে এনেকুৱা দৃশ্য দেখুৱাব যে যেনিবা এওঁলোকে পিছহুহকি গৈ আছে। এনে দৃশ্য দেখুৱালে,ধাৰণা কৰিব পাৰি যে বিজয়ৰ আশাত শত্ৰু সকলে দুৰ্গ এৰি বাহিৰলৈ ওলাই আহি আক্ৰমণত জপিয়াই পৰিব। এনেদৰে যেতিয়াই শত্ৰু সৈন্যই দুৰ্গ এৰি মুকলি পথাৰত আহি পাবহি; আমি ভালদৰে তেওঁলোকৰ সৈতে ৰণত জপিয়াই পৰিম। হজৰত নুমান (ৰাঃ)য়ে এই কৌশলটো বাস্তবায়িত কৰিবলৈ হজৰত কাআকা (ৰাঃ)ক মনোনীত কৰে। তেখেতে তালহিয়াৰ পৰামৰ্শ কাৰ্য্যকৰী কৰাৰ লগে লগে ঘটনা তেনেকুৱাই ঘটিছিল যেনেকৈ তালহিয়াৰ ধাৰণা আছিল। হজৰত নুমান (ৰাঃ)ৰছুল প্ৰেমী লোক আছিল আৰু হুজুৰ (ছাঃ)ৰ এয়া ৰীতি আছিল যে যদি ৰাতিপুৱাতে যুদ্ধ আৰম্ভ হোৱা নাছিল তেন্তে দুপৰীয়া ঢলি যোৱাৰ পিছতহে যুদ্ধলৈ আগবাঢ়িছিল।

যেতিয়া শত্ৰু সৈন্যই আগবাঢ়ি  আহি ইছলামী ফৌজৰ কাষ পাইছিলহি তেতিয়া কেইবাজনও  মুছলমান চিপাহীয়ে প্ৰতিদ্বন্দ্বিতাৰ বাবে ব্যাকুলতা হৈ হজৰত নুমান (ৰাঃ)ৰ ওচৰত অনুমতি বিচাৰি আহিছিল কিন্তু হজৰত নুমান (ৰাঃ)য়ে অনুমতি দিয়া নাছিল। কেইবাজনও দায়িত্বপূৰ্ণ চৰ্দাৰ সকলেও এখেত (ৰাঃ)ক যুদ্ধ কৰিবলৈ অনুমতি প্ৰদানৰ পৰামৰ্শ আগবঢ়াইছিল তথাপি হজৰত নুমান (ৰাঃ)য়ে সকলোকে ধৈৰ্য ধাৰণ কৰাৰ পৰামৰ্শ দিছিল।  দুপৰীয়া ঢলি পৰাৰ লগে লগে হজৰত নুমান (ৰাঃ)য়ে গোটেই সৈন্য দল ধৰ-পকি চাই বেদনাসিক্ত নয়ন আৰু কৰুণ কণ্ঠে এক ভাষণ প্ৰদান কৰে আৰু নিজৰ শ্বাহাদতৰ বাবে দোৱা কৰে; যি ভাষণ শুনি লোকসকলে কান্দিবলৈ লৈছিল। বুদ্ধিমত্তাৰ পৰিচয় দি মুছলমান সকলে ছেগ চাই জপিয়াই পৰিছিল শত্ৰু সৈন্যৰ ওপৰত।  হজৰত নুমান (ৰাঃ)য়ে মহা বীৰত্বৰে সৈতে যুঁজি যুঁজি শ্বহীদ হৈ যায় কিন্তু হজৰত হুযায়ফা বিন ইয়ামান আৰু নঈম বিন মকৰুণে যুদ্ধৰ জয় পৰাজয় নোহোৱালৈকে হজৰত নুমান (ৰাঃ)ৰ শ্বাহাদতৰ কথা গোপন ৰাখিছিল। আন এটা বৰ্ণনাত উল্লেখ আছে যে মুছলমানৰ বিজয় সাব্যস্ত হোৱাৰ পিছত লোকে হজৰত নুমান (ৰাঃ)ৰ ওচৰলৈ আহি দেখিছিল তেতিয়াও তেখেত জীয়াই আছে। তেতিয়া মুৰাকিলে হজৰত নুমান (ৰাঃ)ৰ প্ৰশ্নৰ উত্তৰত কৈছিল-আল্লাহ তা'লাৰ ফালৰ পৰা বিজয় প্ৰদান কৰা হৈছে। এয়া শুনি হজৰত নুমান (ৰাঃ)য়ে কৈছিল যে খবৰটো হজৰত উমৰ (ৰাঃ)ক জনাই দিয়া।

হজৰত উমৰ (ৰাঃ)য়ে বৰ ব্যাকুল হৃদয়েৰে সৈতে এই যুদ্ধৰ ফলাফল শুনিবলৈ অপেক্ষাত আছিল। যিদিনাখন ৰাতি যুদ্ধ আৰম্ভ হোৱাৰ কথা আছিল। সেই ৰাতিত হজৰত উমৰ (ৰাঃ)য়ে বৰ অস্থিৰতাৰে উজাগৰে কটাইছিল। বৰ্ণনা কাৰীয়ে কৈছে যে এনে কষ্টেৰে সৈতে দোৱা কৰাত মগ্ন আছিল যে অনুমান হৈছিল কোনোবা গৰ্ভৱতী মহিলা এজনীয়ে বেদনাত ছটফটাই আছে। দুতে বিজয় বাৰ্ত্তালৈ মদিনাত আহি উপস্থিত হৈছিল আৰু খবৰ শুনি হজৰত উমৰ (ৰাঃ)য়ে আলহামদুলিল্লাহ পঢ়ি হজৰত নুমান (ৰাঃ)ৰ বিষয়ে সুধিছিল। তেতিয়া দুতজনে হজৰত নুমান (ৰাঃ)ৰ মৃত্যুৰ খবৰ দিছিল। হজৰত উমৰ (ৰাঃ)য়ে হজৰত নুমান (ৰাঃ)ৰ মৃত্যুত বৰকৈ শোক পাইছিল আৰু মূৰত হাত ৰাখি কান্দি উঠিছিল। দুতজনে আন আন শ্বহীদ সকলৰ নাম শুনাই কৈছিল- ইয়া আমিৰুল মোমিনিন! আৰু বহুতো মুছলমান শ্বহীদ হৈছে যিসকলক আপুনি চিনি নাপায়। হজৰত উমৰ (ৰাঃ)য়ে কান্দি কান্দি কয় যে মই উমৰে তেওঁলোকক চিনি নাপালেও তেওঁলোকৰ একো ক্ষতি নহয়, খোদা তো তেওঁলোকক চিনি পায়। তেওঁলোকে মুছলমান সকলৰ মাজত যদিও অপৰিচিত খোদা তা'লা তেওঁলোকক শ্বাহাদত প্ৰদান কৰি মৰ্যাদাৰ অধিকাৰী বনাইছে। আল্লাহ তা'লা সিহঁতক চিনি পায় উমৰে চিনি পোৱালৈ সিহঁতৰ কি কাম! যুদ্ধৰ শেষত মুছলমান সকলে ইৰাণী সকলক হমদান চহৰলৈ খেদি লৈ যায়, এই অৱস্থা প্ৰত্যক্ষ কৰি ইৰাণী চৰদাৰ খছৰু,শ্বনুমে হমদান আৰু ৰুস্তগী চহৰৰ ফালৰ পৰা কিছুমান চৰ্ত সাপেক্ষে সন্ধি কৰি লয় যে এই চহৰ দুখনৰ পৰা মুছলমান সকলৰ ওপৰত ভৱিষ্যতে যেন আক্ৰমণ কৰা নহয়। ইছলামী সৈন্যই নেহাবন্ধ চহৰ অধিকাৰ কৰি লয়। এই নেহাবন্ধ বিজয়ৰ ফলাফল বাৰুকৈয়ে গুৰুত্বপূৰ্ণ আছিল। ইয়াৰ পিছত ইৰাণী সকলে আৰু কেতিয়াও এঠাইত জমা হৈ যুদ্ধ কৰাৰ সুযোগ পোৱা নাছিল আৰু মুছলমান সকলে সেই ঠাইখনক ফাতাহ আল ফতুহ (জয় বিজয়ী) নামেৰে নামাকৰণ কৰিছিল। নেহাবন্ধৰ পিছত মুছলমান সকলে আচফাহান  আৰু হমদান জয় কৰিছিল।

খোতবা জুমাৰ শেষত হুজুৰ (আইঃ) য়ে মকৰম মহম্মদ দিয়ানতুনু চাহাব মোবাল্লিগ ছিলছিলা ইণ্ডোনেচীয়া, মকৰম চাহাবজাদা ফৰহান লতিফ চাহাব চিকাগো, আমেৰিকা, আৰু মকৰম মালিক মোবাশ্বিৰ আহমদ চাহাব লাহোৰ পাকিস্তান প্ৰাক্তন আমিৰ জমাত দাউদখেল মিয়ানৱালী আদি সকলোৰে চমু পৰিচয় দি নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 20 AUG 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**